# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-11-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে, পথ দুৰ্ঘটনা আৰু ইয়াৰ ফলত হোৱা মৃত্যু ৰোধ কৰাৰ বাবে পথ নিৰ্মাণৰ সময়ত সুৰক্ষাৰ বিষয়ত অধিক গুৰুত্ব আৰোপ কৰা উচিত।

২। জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে কালি কয় যে, কেন্দ্ৰীয় চৰকাৰে জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ দ্ৰুত উন্নয়নৰ বাবে কাম কৰি আহিছে।

৩। চৰকাৰে বাণিজ্যিক ন্যায়ালয় সংশোধনী বিধেয়ক ২০২৪ সন্দৰ্ভত জনসাধাৰণৰ দিহা পৰামৰ্শ বিচাৰিছে। আইন আৰু ন্যায় মন্ত্ৰালয়ে ২০১৫ চনৰ বাণিজ্যিক ন্যায়ালয় আইনৰ সংশোধন ঘটোৱাৰ কথা বিবেচনা কৰিছে।

৪। অসমৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে।

*আৰু*

৫। ভাৰতে যোৱানিশা ডাৰবানত অনুষ্ঠিত চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাক ৬১ ৰানত পৰাস্ত কৰে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে, পথ দুৰ্ঘটনা আৰু ইয়াৰ ফলত হোৱা মৃত্যু ৰোধ কৰাৰ বাবে পথ নিৰ্মাণৰ সময়ত পথ সুৰক্ষাত অধিক গুৰুত্ব আৰোপ কৰা উচিত। ছত্তিশগড়ৰ ৰায়পুৰত কালি সন্ধিয়া ভাৰতীয় পথ মহাসভাৰ ৮৩ সংখ্যক বাৰ্ষিক সত্ৰ উদ্বোধন কৰি শ্ৰীগাডকাৰীয়ে এই কথা প্ৰকাশ কৰে।

তেওঁ কয় যে, পথ আৰু যান বাহন অভিযান্ত্ৰিক ক্ষেত্ৰৰ আঁসোৱাহসমূহ আঁতৰ কৰোৱাৰ উদ্দেশ্যে প্ৰয়াস চলাই থকা হৈছে যদিও প্ৰকল্প প্ৰতিবেদনৰ ত্ৰুটিৰ বাবে এই ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। কালিৰ অনুষ্ঠানত উপস্থিত থকা বিষয়া আৰু অভিযন্তাসকলক উদ্দেশি মন্ত্ৰীগৰাকীয়ে কয় যে, বিতং প্ৰকল্প প্ৰতিবেদন সঠিকভাৱে পৰীক্ষা নকৰাকৈ কোনো নিবিদা জাৰি কৰা উচিত নহয়। তেওঁ কয় যে, পথ আভিযান্ত্ৰিকক দিশৰ উন্নীতকৰণে পথ দুৰ্ঘটনা ৰোধ কৰাৰ লগতে জনসাধাৰণৰ জীৱন ৰক্ষা কৰিব।

পথ খণ্ডৰ বিকাশৰ বাবে বিশ্বৰ সফল কাৰ্য ব্যৱস্থা আৰু উদ্ভাৱণসমূহ প্ৰয়োগ কৰিবলৈ শ্ৰীগাডকাৰীয়ে বিষয়া, বিশেষজ্ঞ আৰু ঠিকাদাৰসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে, আন্তঃগাঁথনিৰ উন্নয়নে উদ্যোগিক বিকাশত অৰিহণা যোগোৱাৰ লগতে নিয়োগৰ সুবিধা বৃদ্ধি, দৰিদ্ৰতা হ্ৰাস কৰা আৰু দেশক আত্ম নিৰ্ভৰশীল হিচাপে গঢ়ি তোলাত সহায় কৰিব। চাৰিদিনীয়া এই সত্ৰত দুহেজাৰৰো অধিক বিশেষজ্ঞ, বিজ্ঞানী, অভিযন্তা আৰু বিষয়াই

অংশগ্ৰহণ কৰে। এই সত্ৰত পথ নিৰ্মাণ আৰু পথ সুৰক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰা হ'ব। পৰহিলৈ এই সত্ৰৰ সামৰণি পৰিব।

০০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে কালি গুৱাহাটীত ৮ দিনীয়া পূৰ্বোত্তৰ আদি মহোৎসৱ মুকলি কৰে। এই উপলক্ষে শ্ৰীঅ'ৰামে কয় যে, কেন্দ্ৰীয় চৰকাৰে জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ দ্ৰুত উন্নয়নৰ বাবে কাম কৰি আহিছে। তেওঁ কয় যে, জনজাতীয় লোকসকলৰ কল্যাণৰ বাবে জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ক নতুন ৰূপ দিয়া হৈছে আৰু মন্ত্ৰালয়ৰ বাবে বাজেটত আৱণ্টিত ধন বৃদ্ধি কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, চলিত বৰ্ষত জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে ৩ লাখ ৫০ হাজাৰ কোটি টকা ব্যয় কৰা হ'ব আৰু জনজাতি বসতি প্ৰধান অঞ্চলত ২৫ হাজাৰ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অহা ১৫ নৱেম্বৰত সমগ্ৰ ৰাষ্ট্ৰত জনজাতি গৌৰৱ দিৱস উদযাপন কৰা হ'ব বুলি ঘোষণা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিহাৰৰ জামুইত হ'বলগীয়া এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত উপস্থিত থাকিব বুলি তেওঁ জানিবলৈ দিয়ে।

পূৰ্বোত্তৰ আদি মহোৎসৱত উত্তৰ-পূবৰ ৮খন ৰাজ্যৰ ১০৪ খন বিপনীয়ে অংশগ্ৰহণ কৰে। জনজাতীয় শিল্প-সংস্কৃতি, খাদ্য আৰু বাণিজ্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয় আৰু ট্ৰাইফেইড এই মহোৎসৱৰ আয়োজন কৰিছে। ১৫ নৱেম্বৰত সামৰণি পৰিবলগীয়া এই মহোৎসৱত ১৩ খন ৰাজ্যৰ কাৰু শিল্পী, ৰান্ধনী আৰু অংশগ্ৰহণকাৰীয়ে তেওঁলোকৰ চহকী সংস্কৃতি প্ৰদৰ্শন কৰিব। কালিৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা ৰাজ্যমন্ত্ৰী দুৰ্গা দাস উইকে আৰু ৰাজ্যৰ শিক্ষা তথা জনজাতীয় পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগু প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

চৰকাৰে বাণিজ্যিক ন্যায়ালয় সংশোধনী বিধেয়ক ২০২৪ সন্দৰ্ভত জনসাধাৰণৰ দিহা পৰামৰ্শ বিচাৰিছে। আইন আৰু ন্যায় মন্ত্ৰালয়ে ২০১৫ চনৰ বাণিজ্যিক ন্যায়ালয় আইনৰ সংশোধন ঘটোৱাৰ কথা বিবেচনা কৰিছে। বাণিজ্যিক গোচৰসমূহৰ দ্ৰুত আৰু উচিত মূল্যত সমাধান সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই আইনখন প্ৰণয়ন কৰা হৈছিল। খচৰা বিধেয়কখনৰ সন্দৰ্ভত ndiac-dla@gov.in ই-মেইলযোগে ২২ নৱেম্বৰৰ ভিতৰত দিহা-পৰামৰ্শ আগবঢ়াব পৰা যাব।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে পোনপটীয়াকৈ শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

অসমৰ ৫টা বিধানসভা সমষ্টিৰ বাবে অনুষ্ঠিত হ'বলগীয়া উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। অহা ১৩ নৱেম্বৰত হ'বলগীয়া এই উপ নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি অন্যান্য মন্ত্ৰী, সাংসদ আৰু বিধায়কসকলে এন ডি এৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে। ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু সাংসদ গৌৰৱ গগৈয়েও দলীয় প্ৰাৰ্থীৰ হৈ ঠায়ে ঠায়ে প্ৰচাৰ চলাই আছে। আমাক সংবাদদাতাই জনোৱা মতে, ধলাই সমষ্টিৰ পৰা ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। এই ৫ খন আসনৰ বাবে ১০ লাখৰো অধিক ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। কংগ্ৰেছ আৰু এন ডি এ-ই আটাইকেইখন আসনৰ বাবে প্ৰাৰ্থী থিয় কৰোৱাইছে। এন ডি এৰ হৈ বিজেপিয়ে ৩টা সমষ্টিৰ পৰা প্ৰাৰ্থী থিয় কৰোৱাৰ লগতে অসম গণ পৰিষদ আৰু ইউ পি পি এল-এ একোখনকৈ আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে জনসাধাৰণৰ মন আকৰ্ষণ কৰাৰ উদ্দেশ্যে দুয়োখন ৰাজ্যতে নিৰ্বাচনী সভাত অংশ লোৱা পৰিলক্ষিত হৈছে।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ আকোলা আৰু নন্দেড়ত নিৰ্বাচনী সভাক সম্বোধন কৰিব। ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভাৰ বাবে ২০ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

৮১ জনীয়া ঝাৰখণ্ড বিধানসভাৰ বাবে ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী তথা বিজেপিৰ নেতা অমিত শ্বাহে আজি ঝাৰখণ্ডৰ ছত্তৰপুৰ, হাজাৰিবাগ আৰু পোট্‌কা সমষ্টিত দলৰ হকে প্ৰচাৰ চলাব। তেওঁ লগতে জামছেদপুৰত এটা ৰোড শ্ব'ত ভাগ ল'ব। আনহাতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি জামছেদপুৰ আৰু বাঘমাৰা সমষ্টিত নিৰ্বাচনী সভাত ভাগ ল'ব। একেদৰে ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা তথা মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে ৰাঁচী, খাৰছাৱা আৰু মন্দা সমষ্টিত প্ৰচাৰ চলাব।

ooooo

ভাৰতে যোৱানিশা ডাৰবানৰ কিংছমিডত অনুষ্ঠিত চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাক ৬১ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছনে ৫০টা বলত ১০৭ ৰান কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ২০৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ হৈ হেন্‌ৰিক ক্লাছেনে সৰ্বাধিক ২৫ ৰান কৰে। ভাৰতৰ বৰুণ চক্ৰৱৰ্তী আৰু ৰবি বিষ্ণই তিনিটাকৈ উইকেট দখল কৰে। সঞ্জু ছেমছনক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ এবেখাত অনুষ্ঠিত হ'ব। তৃতীয়খন খেল চেঞ্চুৰিয়নত আৰু চতুৰ্থ তথা অন্তিমখন খেল জোহান্সবাৰ্গত খেলোৱা হ'ব।

ooooo

ভাৰতৰ কিৰণ জৰ্জ আজি দক্ষিণ কোৰিয়াৰ ইক্সানত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ ছেমি ফাইনেলত থাইলেণ্ডৰ কুন্‌লাবুট ভিটিডছাৰ্নৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১১ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। জৰ্জে কালি কোৱাৰ্টাৰ ফাইনেলত জাপানৰ টাকুমা ওবায়াছিক ২১-১৪, ২১-১৬ পোনপটীয়া গেমত পৰাস্ত কৰে।

০০০০০

ভাৰতৰ ৰিত্বিক চৌধৰী বোলিপল্লি আৰু পৰ্তুগালৰ ফ্ৰান্সিস্কো কেব্ৰলৰ যুটীটো ফ্ৰান্সত অনুষ্ঠিত মোছেলে অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলৰ পৰা বাহিৰ হৈছে। বোলিপল্লি আৰু ফ্ৰান্সিস্কোৰ যুটীটো যোৱানিশা ছেমি ফাইনেলত ফ্ৰান্সৰ পিয়েৰে-হাগছ হাৰ্বাৰ্ট আৰু অলবানো অ'লিৱেটীৰ হাতত ৩-৬, ৬-৭ ছেটত পৰাজিত হয়। বোলিপল্লি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা একমাত্ৰ ভাৰতীয় খেলুৱৈ আছিল।

০০০০০

**সমাপ্ত**